# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-10-2025
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## HEADLINES

১। বিত্ত মন্ত্ৰালয়ে জি এছ্ টিৰ সংশোধনৰ উপকাৰ যাতে শেষৰজন গ্ৰাহকেও লাভ কৰে তাক নিশ্চিত কৰাৰ বাবে ৫৪ বিধ সামগ্ৰীৰ মূল্য সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

২। ইছৰোৱে চন্দ্ৰযান-২ মিছনে ইয়াৰ বৈজ্ঞানিক আহিলাপাতিৰ ব্যৱহাৰ কৰি চন্দ্ৰৰ ওপৰত সৌৰমুকুত পুঞ্জ নিক্ষেপনৰ প্ৰভাৱ প্ৰথমবাৰৰ বাবে নিৰীক্ষণ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰকাশ কৰিছে।

৩। নাগালেণ্ডৰ নেচনেল ডেমক্ৰেটিক প্ৰ'গ্ৰেছিভ পাৰ্টী নামৰ ৰাজনৈতিক দলটোৱে নাগা পিপলছ্ ফ্ৰ'ণ্টৰ সৈতে একত্ৰিত হৈ এটা সুকীয়া আঞ্চলিক দল গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। ইজৰাইল আৰু পেলেষ্টাইনে যুদ্ধ বিৰতি উলংঘনক লৈ পৰস্পৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰাক কেন্দ্ৰ কৰি গাজা অঞ্চলত শেহতীয়াকৈ পুনৰ উত্তেজনা বৃদ্ধি পাইছে।

*আৰু*

৫। ভাৰতৰ তনভি শৰ্মা আজি গুৱাহাটীত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ছোৱালীৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

ooooooooo

বিত্ত মন্ত্ৰালয়ে সামগ্ৰী আৰু সেৱাকৰ জি এছ্ টিৰ সংশোধনৰ উপকাৰ যাতে শেষৰজন গ্ৰাহকেও লাভ কৰে তাক নিশ্চিত কৰাৰ বাবে ৫৪ বিধ সামগ্ৰীৰ মূল্য সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু বাণিজ্য তথা উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলৰ সৈতে জি এছ্ টি সঞ্চয় উৎসৱ সম্পৰ্কীয় এখন যৌথ সংবাদমেলত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে।

ooooooooo

ভাৰতে ভেষজ আৰু জৈৱ প্ৰযুক্তি ক্ষেত্ৰত দেশৰ আত্মনিৰ্ভৰশীলতাৰ প্ৰচেষ্টাত নতুন অধ্যায়ৰ সূচনা কৰি নেফিথ্ৰ'মাইচিন নামৰ থলুৱা এণ্টিবায়'টিক এবিধ বিকশাই তুলিছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি এখন চিকিৎসা কৰ্মশালা মুকলি কৰি ড° সিঙে কয়, যে এই এণ্টিবায়'টিকবিধ প্ৰতিৰোধী শ্বাস-প্ৰশ্বাসজনিত সংক্ৰমণ বিশেষকৈ, কৰ্কট ৰোগী আৰু অনিয়ন্ত্ৰিত মধুমেহ ৰোগীৰ ক্ষেত্ৰত অতিকৈ ফলপ্ৰসূ হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে দেশে বৈজ্ঞানিক আৰু গৱেষণাৰ বিকাশৰ বাবে আত্ম-নিৰ্ভৰতন্ত্ৰ বিকশাই তুলিব লাগিব। কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত হাইব্ৰিড ভ্ৰাম্যমান চিকিৎসালয়সমূহে গ্ৰাম্য আৰু

দূৰণিৰ্বটীয়া সেৱা প্ৰদান কৰি সকলোৰে বাবে গুণগত স্বাস্থ্য সুনিশ্চিত কৰা বুলি ড° সিঙে মন্তব্য কৰে। তেওঁ কয়, যে উদ্ভাৱন, সমন্বয় আৰু কৰুণাৰ সংমিশ্ৰণে দেশক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ যাত্ৰাক নতুন মাত্ৰা প্ৰদান কৰিব।

ooooooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে ২০১৪ চনত মহাকাশলৈ প্ৰেৰণ কৰা চন্দ্ৰযান-২ মিছনে ইয়াৰ বৈজ্ঞানিক আহিলাপাতি ব্যৱহাৰ কৰি চন্দ্ৰৰ ওপৰত সৌৰমুকুত পুঞ্জ নিক্ষেপনৰ প্ৰভাৱ প্ৰথমবাৰৰ বাবে নিৰীক্ষণ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰকাশ কৰিছে। ইছৰোৱে কৈছে, যে এই পৰ্যবেক্ষণে চন্দ্ৰৰ বাহ্যিক মণ্ডল, চন্দ্ৰৰ পাতল বায়ুমণ্ডল আৰু চন্দ্ৰ পৃষ্ঠৰ ওপৰত অন্তৰীক্ষৰ বতৰ প্ৰভাৱ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰাত সহায় কৰিব।

ooooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অহা মঙলবাৰে আৰক্ষী স্মৃতি দিৱস উপলক্ষে নতুন দিল্লীত থকা ৰাষ্ট্ৰীয় আৰক্ষী স্মাৰকত শ্বহীদ আৰক্ষী কৰ্মীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিব। ১৯৫৯ চনৰ ২১ অক্টোবৰত লাডাখত চীনৰ সশস্ত্ৰ সৈনিকৰ এটা দলে অতৰ্কিতে  আক্ৰমণ চলাই নিহত কৰা ১০ গৰাকী আৰক্ষী কৰ্মীৰ স্মৃতিত এই দিৱস পালন কৰা হয়। এই উপলক্ষে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু দিল্লী আৰক্ষীৰ জোৱানসকলৰ যুটীয়া কুছ-কাৱাজৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীসমূহ আৰু কেন্দ্ৰীয় আৰক্ষী সংস্থাৰ মুৰববীসকলৰ লগতে অন্য বিশিষ্ট ব্যক্তিসকলে আৰক্ষী স্মাৰকত শ্ৰদ্ধাঞ্জলি নিবেদন কৰিব। প্ৰতিৰক্ষামন্ত্ৰীয়ে লগতে এটা সমাৰেশতো ভাষণ দিব। স্মৃতিচাৰণ অনুষ্ঠানৰ অংশহিচাপে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু কেন্দ্ৰীয় আৰক্ষী সংস্থাসমূহে অহা ২২ৰ পৰা ৩০ অক্টোবৰলৈ ভালেমান কাৰ্যসূচীৰ আয়োজন কৰিছে।

ooooooooo

নাগালেণ্ডৰ নেচনেল ডেমক্ৰেটিক প্ৰ'গ্ৰেছিভ পাৰ্টী চমুকৈ এন ডি পি পি নামৰ ৰাজনৈতিক দলটোৱে নাগা পিপলছ ফ্ৰ'ণ্ট, এন পি এফৰ সৈতে একত্ৰিত হৈ এটা সুকীয়া আঞ্চলিক দল গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই একত্ৰিকৰণৰ পাছত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' নাগা পিপলছ ফ্ৰ'ণ্টৰ বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত হৈছে। শেহতীয়া এই ব্যৱস্থাৰ ফলত ৬০ জনীয়া নাগালেণ্ড বিধানসভাত এন পি এফৰ বিধায়কৰ সংখ্যা ৩৪ লৈ বৃদ্ধি পালে।

কোহিমাত কালি অনুষ্ঠিত এন ডি পি পিৰ ষষ্ঠ সাধাৰণ সভাত দলটোৰ একত্ৰিকৰণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এন ডি পি পিৰ দলীয় সদস্যসকলৰ লগতে ৰাজ্যখনৰ ভিন ভিন স্থানৰ পৰা আহি সমবেত হোৱা প্ৰতিনিধিসকলে কালিৰ এই অধিৱেশনত অংশগ্ৰহণ কৰে। নাগালেণ্ড চৰকাৰৰ মন্ত্ৰী কে জি কেন্যেই একত্ৰিকৰণৰ এই সিদ্ধান্ত উত্থাপন কৰি কয়, যে এই পদক্ষেপে নাগা জনসাধাৰণৰ আঞ্চলিক ৰাজনৈতিক পৰিচয়ক অধিক শক্তিশালী কৰিব।

ooooooooo

ইজৰাইল আৰু পেলেষ্টাইনে যুদ্ধ বিৰতি উলংঘনক লৈ পৰস্পৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰাক কেন্দ্ৰ কৰি গাজা অঞ্চলত শেহতীয়াকৈ পুনৰ উত্তেজনা বৃদ্ধি পাইছে। গাজাৰ আহত লোকসকলৰ লগতে ইজিপ্তৰ পাৰপত্ৰৰ অধিকাৰী লোকসকলৰ বাবে কাইলৈ সীমান্ত পথ পুনৰ মুকলি কৰি দিব বুলি পেলেষ্টাইনী দূতাৱাসে জাৰি কৰা এটা বিবৃতিৰ বিপৰীত স্থিতি স্পষ্ট কৰি ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৰ কাৰ্যালয়ে পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত ৰাফা সীমান্ত বন্ধ থাকিব বুলি প্ৰকাশ কৰাত এনে পৰিস্থিতিৰ উদ্ভৱ হৈছে। এই কাৰ্যৰ জৰিয়তে নেতান্যাহুৱে যুদ্ধবিৰতি চুক্তি উলংঘা কৰা বুলি হামাছে ইজৰাইলক দোষাৰোপ কৰিছে। আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ

মধ্যস্থতাত যোৱা ১০ অক্টোবৰত সম্পন্ন হোৱা  যুদ্ধবিৰতি চুক্তি কাৰ্যকৰী হৈ থকা অৱস্থাতো ইজৰাইলে মুঠ ৪৭ বাৰ এই চুক্তি উলংঘা কৰি ৩৮ গৰাকী লোকক হত্যা কৰাৰ লগতে আন ১৪৩ গৰাকীক আহত কৰা বুলি পেলেস্তাইনী কৰ্তৃপক্ষই অভিযোগ কৰিছে। ইয়াৰ মাজতে ইজৰাইলে এই বুলি অভিযোগ কৰে যে হামাছে বিশেষকৈ নিহত পণবন্দীসকলৰ মৃতদেহ ওভতাই দিয়াৰ ক্ষেত্ৰত তেওঁলোকৰ দায়বদ্ধতাক অস্বীকাৰ কৰিছে।

আনহাতে, অঞ্চলটোত উদ্ভৱ হোৱা এনে সংকটজনক পৰিস্থিতিৰ মাজতে ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৱে অহা বছৰৰ বাবে নিৰ্ধাৰিত দেশখনৰ সাধাৰণ নিৰ্বাচন সময়মতে অনুষ্ঠিত কৰিব বুলি ঘোষণা কৰিছে। উল্লেখযোগ্য যে, ৭৫ বছৰ বয়সীয়া নেতান্যাহু হ'ল ইজৰাইলৰ সবাতোকৈ দীৰ্ঘকাল ধৰি সেৱা আগবঢ়োৱা প্ৰধানমন্ত্ৰী আৰু ২০২২ বৰ্ষৰ ডিচেম্বৰত ক্ষমতালৈ উভতি অহা কঠোৰ সোপন্থী মিত্ৰজোঁটৰ চৰকাৰখনক তেওঁ নেতৃত্ব প্ৰদান কৰি আহিছে।

০০০০০০০০০

পাকিস্তান আৰু আফগানিস্তানে দোহাত হোৱা আলোচনাৰ অন্তত ততালিকে সংঘৰ্ষ বিৰতিৰ বাবে সন্মতি প্ৰকাশ কৰিছে। কাটাৰ আৰু তুৰস্কই দুয়ো দেশৰ মাজৰ এই আলোচনাত মধ্যস্থতাকাৰীৰ  ভূমিকা পালন কৰে। কাটাৰৰ বিদেশ মন্ত্ৰালয়ে কৈছে যে, দুয়োখন দেশে সংঘৰ্ষ বিৰতি মানি চলিবলৈ আৰু নিৰ্ভৰযোগ্য তথা স্থায়ীভাৱে ইয়াৰ ৰূপায়ণৰ বিষয়টো মূল্যায়নৰ অৰ্থে পৰৱৰ্তী পৰ্যায়ত বৈঠক অনুষ্ঠিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে। আফগানিস্তানত ২০২১ চনত তালিবান ক্ষমতালৈ অহাৰ পাছত দুয়োখন দেশৰ মাজত  হোৱা সংঘৰ্ষত ভালেসংখ্যক লোক নিহত আৰু শ শ লোক আহত হোৱাৰ পাছত এই চুক্তি সম্পাদিত হৈছে। শুকুৰবাৰে আক্ৰমণকাৰীয়ে সীমান্তত পাকিস্তানৰ ৭ জন সৈনিকক নিহত আৰু ১৩ জনক আহত কৰাৰ পাছত দুয়োখন দেশৰ মাজত উত্তেজনা বৃদ্ধি পাইছে।  ইয়াৰ পাছতে পাকিস্তানে আক্ৰমণেৰে প্ৰত্যুত্তৰ দিছিল। দুয়োখন দেশৰ মাজৰ দুহেজাৰ ৬০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্ত এলেকা বহুদিন ধৰি সংঘৰ্ষৰ কেন্দ্ৰৰূপে পৰিগণিত হৈ আহিছে। পাকিস্তানে যোৱা সপ্তাহত দেশখনৰ বিৰুদ্ধে হোৱা বৰ্ধিত আক্ৰমণক কেন্দ্ৰ কৰি আফগানিস্তানে সন্ত্ৰাসবাদীক আশ্ৰয় দিয়াৰ অভিযোগ উত্থাপন কৰিছিল আৰু ইয়াৰ পাছতে আফগানিস্তানে স্থলপথ আৰু আকাশমাৰ্গেৰে আক্ৰমণ চলাইছিল।

০০০০০০০০০

ভাৰতৰ তনভি শৰ্মা আজি গুৱাহাটীত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ছোৱালীৰ ফাইনেলত থাইলেণ্ডৰ অন্যাপট ফিছিতফোনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। তনভিয়ে কালি ছেমি ফাইনেলত চীনৰ লিয়ু ছি য়াক ১৫-১১, ১৫-৯ গেমত পৰাস্ত কৰে। ১৬ বছৰীয়া তনভি বিশ্বৰ জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰা দেশৰ পঞ্চমগৰাকী খেলুৱৈ। ইয়াৰ পূৰ্বে অপৰ্ণা পোপটে ১৯৯৬, চাইনা নেহৱালে ২০০৬ আৰু ২০০৮, ছিৰিল বাৰ্মাই ২০১৫ আৰু শংকৰ মুথুস্বামীয়ে ২০২২ চনত এই প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০০০০০০

আই চি চি মহিলা ক্ৰিকেট বিশ্বকাপত ভাৰত আজি  মধ্যপ্ৰদেশৰ ইন্দোৰৰ হলকাৰ ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ইংলেণ্ডৰ সন্মুখীন হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। হৰমন প্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটো একেৰাহে দুখন খেলত পৰাজিত হোৱাৰ পাছত প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আছে। ইংলেণ্ড তালিকাৰ তৃতীয় স্থানত আছে।

ইপিনে, কালি নিউজিলেণ্ড আৰু পাকিস্তানৰ মাজত কলম্বোত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে বিঘ্নিত হয়। পাকিস্তানে ২৫ অভাৰত ৯২ ৰান কৰে। বৰ্তমানলৈ পাকিস্তানে এখনো খেলত জয়লাভ কৰা নাই আৰু দলটো তালিকাৰ শেষৰ স্থানত আছে।

০০০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত পাৰ্থত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া  ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত বৰষুনে বিধি পথালি দিছে। খেলখন বৰষুণৰ বাবে সম্প্ৰতি বন্ধ হৈ আছে। বৰষুণৰ বাবে খেল বন্ধ কৰাৰ সময়ত অক্ষৰ পেটেল ১৪ ৰান আৰু কে এল ৰাহুলে ৩ ৰান কৰি খেলি আছিল।

০০০০০০০০০

**সমাপ্ত**